Sl. I

G–DTN–M–BTTB

ASSAMESE

Paper—II

(Literature)

Time Allowed : Three Hours	Maximum Marks : 300

INSTRUCTIONS

Candidates should attempt Question Nos. 1 and 5 which are compulsory, and any THREE of the remaining questions, selecting at least ONE question from each Section.

The number of marks carried by each question is indicated at the end of the question.

Answers must be written in Assamese.

Important Note

Whenever a question is being attempted, all its parts/sub-parts must be attempted contiguously. This means that before moving on to the next question to be attempted, candidates must finish attempting all parts/sub-parts of the previous question attempted. This is to be strictly followed.

Pages left blank in the answer-book are to be clearly struck out in ink. Any answers that follow pages left blank may not be given credit.

Optional Province · optionalprovince.com

Section—A

1. তলৰ পাঁচোটা প্ৰশ্নৰ উত্তৰ সংক্ষেপে লিখা। প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* টা শব্দৰ ভিতৰত হ'ব লাগিব : 12×5=60

(a) 'পাৰিজাত হৰণ' নাটৰ সকলো চৰিত্ৰতকৈ এই নাটৰ নাৰদক কিয় আকৰ্ষণীয় চৰিত্ৰ বুলি কোৱা হয় ?

(b) দশৰথৰ মৃত্যুৰ পিছত অযোধ্যা নগৰৰ অৱস্থা কেনে হোৱা বুলি মাধৱ কন্দলিয়ে বৰ্ণনা কৰিছে ?

(c) মাধৱদেৱৰ 'ৰৱগীত'ত ফুটি উঠা শিশু কৃষ্ণৰ চৰিত্ৰ সম্পৰ্কে এটি টোকা লিখা।

(d) 'কথা-ভাগৱত'ৰ আধাৰত ভট্টদেৱৰ গদ্যৰ প্ৰধান বিশেষত্ব-কেইটি কি কি বুলি ঠাৱৰ কৰিবা, লিখা।

(e) ''মাধৱদেৱৰ কবিত্ব শক্তিৰ পৰিচয় পোৱা যায় 'ৰাজসূয় কাব্য'ত।'' এই উক্তিৰ যথাৰ্থতা প্ৰতিপন্ন কৰা।

2. তলৰ প্ৰশ্ন দুটাৰ উত্তৰ চমুকৈ কিন্তু বিচৰা বিষয় নিৰ্দেশ কৰি লিখা : 30×2=60

(a) ৰাসক্ৰীড়া কোনে, ক'ত, কেতিয়া কৰিছিল ? 'ৰাসক্ৰীড়া'ৰ মূল তত্ত্ব আৰু শিকনি কি ?

(b) ৰামায়ণত মন্থৰা চৰিত্ৰটোৰ ভূমিকা কি ? ৰামায়ণৰ কাহিনীভাগত মন্থৰাৰ অৱদান বিচাৰ কৰা।

3. তলৰ প্ৰশ্ন দুটাৰ চমু কিন্তু বিষয়-নিৰ্দেশক উত্তৰ লিখা : 30×2=60

(a) '' 'পাৰিজাত হৰণ' নাটৰ যাই লক্ষ্য শ্ৰীকৃষ্ণৰ ঐশ্বৰিক শক্তি আৰু মহত্ত্ব প্ৰতিষ্ঠা কৰা।'' মন্তব্যটিৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰা।

Optional Province · optionalprovince.com

(b) 'ৰাজসূয় কাব্য'ত মাধৱদেৱে অংকন কৰা কৃষ্ণ-ভক্তি আৰু কৃষ্ণ-মাহাত্ম্য সম্পৰ্কে এটি টোকা লিখা।

4. তলৰ প্ৰশ্ন দুটাৰ চমু কিন্তু মূল বিষয় নিৰ্দেশ কৰি উত্তৰ লিখা : 30×2=60

(a) 'কথা-ভাগৱত'ৰ দ্বিতীয় স্কন্ধৰ বিষয়বস্তুৰ এটি পৰিচয় দিয়া।

(b) 'গুৰু-চৰিত-কথা'ৰ আধাৰত শংকৰদেৱৰ প্ৰথমবাৰৰ তীৰ্থ-ভ্ৰমণৰ এটি পৰিচয় দিয়া।

Section—B

5. তলৰ পাঁচোটা প্ৰশ্নৰ উত্তৰ সংক্ষেপে লিখা। প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* টা শব্দৰ ভিতৰত হ'ব লাগিব : 12×5=60

(a) লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'ত বৰ্ণিত তেওঁৰ শৈশৱৰ দৈনিক ঘৰুৱা কাৰ্যসূচীৰ পৰিচয় দিয়া।

(b) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'তেজীমলা' কবিতাটি তুমি এটি মালিতা বুলি ভাবা নে এটি গীতি-কবিতা বুলি ভাবা, যুক্তি দৰ্শোৱা।

(c) 'মনোমতী' উপন্যাসত লক্ষ্মীকান্ত আৰু মনোমতীৰ মিলন কেতিয়া, ক'ত, কেনেকৈ হ'ল, লিখা।

(d) 'কাৱেঙৰ লিগিৰী'ৰ শেৱালিৰ চৰিত্ৰটিৰ বিষয়ে চমু টোকা লিখা।

(e) বীণা বৰুৱাৰ 'জীৱনৰ বাটত' উপন্যাসখনৰ সামগ্ৰিক মূল্যাংকন কৰা।

Optional Province · optionalprovince.com

6. তলৰ প্ৰশ্ন দুটাৰ চমু কিন্তু মূল বিষয়-নিৰ্দেশক উত্তৰ লিখা : 30×2=60

(a) পদ্মনাথ গোহাঞিবৰুৱাৰ 'গাওঁবুঢ়া' নাটকখনিক ধেমেলীয়া নাটকৰ শাৰীত থ'ব পাৰিনে ? যুক্তি সহকাৰে বিচাৰ কৰা ।

(b) '' 'মৃত্যুঞ্জয়' উপন্যাসৰ ঘটনা-প্ৰবাহৰ মাজেদি স্বাধীনতা লাভৰ বাবে হিংসাৰ পথ গ্ৰহণীয়তা প্ৰশ্নৰ সম্মুখীন হৈছে ।'' এই মন্তব্যটিৰ যুক্তিযুক্ততা বিচাৰ কৰা ।

7. তলৰ প্ৰশ্ন দুটাৰ চমু কিন্তু মূল বিষয় নিৰ্দেশ কৰি উত্তৰ লিখা : 30×2=60

(a) বাণীকান্ত কাকতিৰ 'ৰৰগীত' প্ৰৱন্ধটিৰ আধাৰত ৰৰগীতৰ ভাব, বিষয় আৰু ৰচনাশৈলীৰ বিশেষত্ব দেখুওৱা ।

(b) ''নৱকান্ত বৰুৱাৰ 'সম্ৰাট' আধুনিক ৰাষ্ট্ৰনায়কৰ যেন অসহায় আৰ্ত হৈ উঠিছে ।'' মন্তব্যটিৰ বিচাৰ কৰা ।

8. তলৰ প্ৰশ্ন দুটাৰ চমু কিন্তু যথাযোগ্য উত্তৰ লিখা : 30×2=60

(a) 'বধ কাব্য' বুলিলে কি বুজা ? বাণীকান্ত কাকতিৰ 'পুৰণি অসমীয়া সাহিত্য'ৰ অন্তৰ্ভুক্ত প্ৰৱন্ধৰ আধাৰত পৰিচয় দিয়া ।

(b) লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'ত 'জোনাকী'ত তেওঁৰ সাহিত্য-জীৱন কেনেকৈ আৰম্ভ হৈছিল আৰু বিকশিত হৈছিল, সেই বিষয়ে এটি টোকা প্ৰস্তুত কৰা ।

★ ★ ★

Optional Province · optionalprovince.com